Total No. of Printed Pages—3

**5 SEM TDC ASM M 2**

**2013**

( November )

ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমীয়া নাট্যসাহিত্যৰ উৎপত্তি আৰু ক্রমবিকাশ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমৰ নাট্যমঞ্চৰ বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

২। (ক) অংকীয়া নাট কাক বোলে? অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি 'ৰামবিজয়' নাটত অংকীয়া নাটৰ উপাদান সম্পৰ্কে এটি আলচ যুগুত কৰাঁ। ১২

অথবা

(খ) 'ৰামবিজয়' নাটত ব্যৱহৃত শ্লোক আৰু ভটিমাসমূহৰ এটি বিশ্লেষণাত্মক টোকা লিখাঁ।

৩। (ক) উদ্দেশ্যধৰ্মী নাটক হিচাপে 'গাঁওবুঢ়া' নাটকৰ এটি আলোচনা আগবঢ়োৱাঁ। ১২

অথবা

(খ) 'গাঁওবুঢ়া' নাটকত প্ৰকাশ পোৱা ব্ৰিটিছ শাসনৰ আদিছোৱাৰ সামাজিক আৰু প্ৰশাসনিক চিত্ৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ।

৪। পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'নাট্যবেদ' বুলি কোনখন গ্ৰন্থক অভিহিত কৰা হয়?

(খ) অসমৰ প্ৰাচীন লোক-নাট্যানুষ্ঠান এবিধৰ নাম লিখাঁ।

(গ) প্ৰথম অসমীয়া সামাজিক নাটকখনৰ নাম কি?

(ঘ) 'ভ্ৰমৰংগ' নাটকৰ মূল গ্ৰন্থখনৰ নাম কি?

(ঙ) অসমীয়া নাটকত ব্যৱহৃত প্ৰথম জনজাতীয় চৰিত্ৰটি কি আছিল?

(চ) 'মঞ্চলেখা' গ্ৰন্থৰ লেখকজনৰ নাম লিখাঁ।

(ছ) 'এটা চোলাৰ কাহিনী' নাটকৰ মুখ্য নাৰী চৰিত্ৰটিৰ নাম কি?

(জ) 'নটসূৰ্য' বুলি কোনজন নাট্যকাৰক অভিহিত কৰা হয়?

৫। (ক) অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত জ্যোতিপ্ৰসাদৰ স্থান নিৰূপণ কৰি 'ৰূপালীম' নাটকখনৰ এটি আলোচনামূলক টোকা লিখাঁ। ১২

*অথবা*

(খ) 'ৰূপালীম' নাটকৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাঁ।

৬। (ক) আলি হাইদৰৰ নাটকৰ সাধাৰণ বিশেষত্বসমূহ উল্লেখ কৰি 'এটা চোলাৰ কাহিনী' নাটকৰ এটি বিশ্লেষণ দাঙি ধৰাঁ। ১৩

*অথবা*

(খ) 'এটা চোলাৰ কাহিনী' নাটকত প্ৰকাশ পোৱা প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) বিশ্বামিত্ৰ ঋষি

(খ) বাটৰ নাট

(গ) 'ৰূপালীম' নাটকৰ সংলাপ

★★★